**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচী আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব।

২। ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়া দ্বিতীয় পৰ্যায়ৰ মুকলি কৰাৰ পাছতে নিৰ্বাচকসকলৰ মাজত ৯৯ শতাংশতকৈও অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

৩। চত্তিশগড়ৰ চুকমা জিলাত কালি ১৫ গৰাকী মাওবাদী সদস্যই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে।

৪। অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হ'ব। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত দ্বিতীয় ক্ৰিকেট টেষ্টৰ কালি তৃতীয় দিনা ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছৰ সামৰণি মাৰে।

০০০০০

অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচী উপলক্ষে আজি বিশেষ পৰ্ব অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাৰ্যসূচীত অংশ ল'ব। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সপ্তমন্দিৰো দৰ্শন কৰিব। এই সপ্তমন্দিৰ হৈছে মহৰ্ষি বশিষ্ঠ, বিশ্বামিত্ৰ, অগ্যষ্টমুনি, বাল্মিকী, দেৱী অহল্যা, নিষাদৰাজ গুহ আৰু মাতা সাবেৰীৰ মন্দিৰ।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীগৰাকীয়ে মাতা অন্নপূৰ্ণা মন্দিৰ দৰ্শন কৰি পূজা অৰ্চনা আগবঢ়াব। দিনৰ ১২ বজাত শ্ৰীমোদীয়ে ৰাম জন্মভূমি মন্দিৰৰ শিখৰত ধৰ্মধবজা উত্তোলন কৰিব। তেওঁ লগতে অযোধ্যা চহৰত এটা ৰোড শ্ব'তো ভাগ ল'ব।

০০০০০

নিৰ্বাচন আয়োগে কয়, যে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়া দ্বিতীয় পৰ্যায়ৰ মুকলি কৰাৰ পাছতে নিৰ্বাচকসকলৰ মাজত ৯৯ শতাংশতকৈও অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে। আয়োগে কয়, যে ৫০ কোটি ৫০ লাখতকৈও অধিক গণনা পত্ৰ বিতৰণকৰা হৈছে। যোৱা ৪ নৱেম্বৰত দেশৰ ৯ খন ৰাজ্য আৰু ৩ খন কেন্দ্ৰীয়শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায় মুকলি কৰা হৈছে। এই ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ হৈছে- চত্তিশগড়, গোৱা, গুজৰাট, কেৰেলা, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, লাক্ষাদ্বীপ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব।

০০০০০

চত্তিশগড়ৰ চুকমা জিলাত কালি ১৫ গৰাকী মাওবাদী সদস্যই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। ইয়াৰে ১০ জন পুৰুষ আৰু ৫ জনী মহিলা সদস্য আছে। আত্মসমৰ্পণকাৰী সদস্যসকলে

চুকমা জিলাৰ আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আৰক্ষী অধীক্ষক কিৰণ শাৱনৰ সন্মুখত আত্মসমৰ্পণ কৰে। ইয়াৰে ভিতৰত পিপলছ লিবাৰেচন গোৰিলা আৰ্মীৰ ৪ জন সদস্যও আছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত আৰক্ষী অধীক্ষক কিৰণ শাৱনে কয়, যে নেতৃত্বৰ সৈতে সৃষ্টি হোৱা দূৰত্ব আৰু কুখ্যাত মাওবাদী মাধৱী হিড়মাৰ চলিত বছৰৰ প্ৰথম ভাগতে মৃত্যুৰ পাছত সদস্যসকলৰ মাজত ক্ৰমাৎ ভীতি বৃদ্ধি হৈছিল। তেওঁ কয়, যে চত্তিশগড় চৰকাৰে মাওবাদী আত্মসমৰ্পণকাৰী সকলক পুনৰ সংস্থাপনৰ বাবে গ্ৰহণ কৰা আঁচনিৰ অধীনত আৰ্থিক সাহায্য আগবঢ়োৱা। চলিত বৰ্ষত চত্তিশগড়ত আত্মসমৰ্পণ কৰা  মাওবাদীৰ সংখ্যা বৰ্তমানলৈ ৬৫০ লৈ বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰে অহা বৰ্ষৰ মাৰ্চ মাহলৈ দেশত মাওবাদ সম্পূৰ্ণৰূপে মষিমূৰ কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে।

ooooo

দেশত ৪ খন নতুন শ্ৰমিক সংহিতা প্ৰৱৰ্তন কৰাৰ বাবে ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ সংস্থাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰশংসা পত্ৰ প্ৰেৰণ কৰিছে। সংস্থাটোৰ ৰাষ্ট্ৰীয় সভাপতি এছ কে শৰ্মাই কয়, যে দেশত ৪ খন নতুন শ্ৰমিক সংহিতা প্ৰৱৰ্তন কৰাটো চৰকাৰৰ এটা যুগান্তকাৰী সিদ্ধান্ত। আধুনিক, স্বচ্ছ আৰু ন্যায়সংগত শ্ৰমিক পৰিকাঠামো গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ সুদূৰপ্ৰসাৰী প্ৰতিশ্ৰুতিবদ্ধতাক ই প্ৰতিফলিত কৰা বুলিও সভাপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত এটা নৈশ ভোজৰ আয়োজন কৰে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰূপে শপত গ্ৰহণ কৰা ন্যায়াধীশ সূৰ্য কান্তৰ সন্মানৰ অৰ্থে আয়োজন কৰা এই নৈশ ভোজত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, সদ্য প্ৰাক্তন মুখ্য ন্যায়াধীশ বি আৰ গাভাই আৰু উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ লগতে ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

ooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হ'ব। এইবাৰৰ অধিৱেশনত ১০ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। আজি বিগত অধিৱেশনৰ পাছত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু অসম তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

ooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কাইলৈ সংবিধান দিৱস উপলক্ষে সমগ্ৰ দেশতে তিনিতৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত এক বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ

কৰিছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে এই বছৰৰ সংবিধান দিৱস উপলক্ষে সম্পাদক বিবেক ভৰদ্বাজ আৰু জ্যেষ্ঠ বিষয়া তথা কৰ্মচাৰীসকলৰ উপস্থিতিত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। দেশৰ সকলোবোৰ গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিব।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কানাডা ভ্ৰমণৰ সময়ত অণ্টেৰিঅ'ৰ অৰ্থনৈতিক উন্নয়ন, নিয়োগ সৃষ্টি আৰু বাণিজ্য মন্ত্ৰী ভিক্টৰ ফেডেলীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোৱেলে কয় যে তেওঁলোক দুয়োগৰাকীয়ে ভাৰত আৰু কানাডাৰ মাজৰ বাণিজ্য শক্তিশালী কৰাৰ লগতে বিনিয়োগৰ সুযোগ বৃদ্ধি আৰু বিভিন্ন খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

ooooo

ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণে এই বছৰটোত ২১ লাখ বিসঙ্গতিপূৰ্ণ ফোন নম্বৰ আৰু বিসঙ্গতিপূৰ্ণ মেছেজ পঠিওৱা ১ লাখ উৎসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। ভাৰতীয় নাগৰিকসকলে ৰুজু কৰা গোচৰৰ ভিত্তিত প্ৰাধিকৰণে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ৰ তথ্য অনুসৰি সমগ্ৰ দেশতে দূৰসংযোগ ব্যৱস্থা ক্ষেত্ৰখনত হোৱা অপপ্ৰয়োগৰ বাবে গ্ৰাহকসকলে এনে ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় আৰু তৎকালীনভাৱে ল'ব পৰা উপায় হিচাপে গ্ৰাহকসকলক ডি এন ডি ব্যৱস্থাৰ সহায় ল'ব পাৰে। ইয়াৰ জৰিয়তে প্ৰাধিকৰণে বিসঙ্গতিপূৰ্ণ নম্বৰটোৰ বিশদ তথ্য উলিয়াবলৈ সমৰ্থ হয়।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ কালি তৃতীয় দিনা ভাৰতে ২০১ ৰানত আটাইকেইটা উইকেট হেৰুৱাই শোচনীয়ভাৱে প্ৰথম ইনিংছৰ সামৰণি মাৰে। ইয়াৰ ফলত কালি এটাও উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰা ৯ ৰানৰ পৰা খেল আৰম্ভ কৰা ভাৰততকৈ আলহী দলটোৱে প্ৰথম ইনিংছত ২৮৮ ৰানৰ বৃহৎ ব্যৱধানেৰে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰে। সন্ধিয়া তৃতীয় দিনৰ সামৰণিলৈকে আলহী দল দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছৰ খেলত ২৬ ৰানত এটাও উইকেট নেহেৰুৱাকৈ সৰ্বমুঠ ৩১৪ ৰানৰ অগ্ৰগতি লাভ কৰে।

ooooo

বাংলাদেশৰ ঢাকাত অনুষ্ঠিত মহিলা কাবাডী বিশ্বকাপত একেৰাহে দ্বিতীয়বাৰৰ বাবে চীনা টাইপেইক ৩৫-২৮ ফলাফলত পৰাস্ত কৰি ভাৰতীয় দলে জয়লাভ কৰিছে। ছেমিফাইনেলত ইৰাণক ৩৩-২১ গ'লত পৰাস্ত কৰাৰ পূৰ্বে গ্ৰুপ পৰ্যায়ৰ চাৰিখন খেলতে ভাৰতে জয়লাভ কৰে। এইবাৰ কাবাডী বিশ্বকাপত ১১খন দেশে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় দলটোক প্ৰশংসা কৰি অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে তেওঁলোকৰ এই জয়ে যুৱ খেলুৱৈসকলক সপোন দেখিবলৈ আৰু লক্ষ্যত উপনীত হবলৈ অনুপ্ৰাণিত কৰিব।

ooooo

সমাপ্ত